# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
## 0000000000

**Date :** 26-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে কয়, যে ত্ৰিভূবন চহকাৰী ইউনিভাৰছিটি বিধেয়ক ২০২৫ গৃহীত হ'লে গ্ৰাম্য অৰ্থনীতি টনকিয়াল আৰু আত্মনিৰ্ভৰশীলতা বৃদ্ধি কৰাৰ লগতে ক্ষুদ্ৰ উদ্যোগীসকলৰ বিকাশ সাধন কৰিব।

২। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে দেশৰ বেংকিং খণ্ডৰ সৰলীকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে।

৩। বিমষ্টেক ৰাষ্ট্ৰগোষ্ঠীৰ ১৭ জনীয়া এটা প্ৰতিনিধি দলে আজি বাংলাদেশৰ সৈতে বাণিজ্যিক সা-সুবিধা বৃদ্ধি কৰা দ্বিতীয় আগৰতলাৰ সংহত তালাচী চকী পৰিদৰ্শন কৰে।

৪। দক্ষিণ কোৰিয়াৰ দক্ষিণ পূৱ প্ৰান্তত সংঘটিত কেইবাটাও বনজুইৰ ঘটনাত এতিয়ালৈকে ২৪ জন লোক মৃত্যু মুখত পৰিছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত কিছুসময়ৰ পাছতে ৰাজস্থান ৰয়েলছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব।

ooooo

লোকসভাই আজি ত্ৰিভূবন চহকাৰী ইউনিভাৰছিটি বিধেয়ক ২০২৫ বিবেচনা আৰু পাৰিতৰ বাবে উত্থাপন কৰে। এই বিধেয়কত গুজৰাটৰ আনন্দৰ গ্ৰাম্য ব্যৱস্থাপনা প্ৰতিষ্ঠানক ত্ৰিভূবন চহকাৰী বিশ্ববিদ্যালয় হিচাপে প্ৰতিষ্ঠা কৰি ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলাৰ ব্যৱস্থা কৰা হৈছে। এই প্ৰতিষ্ঠানত সমবায় খণ্ডৰ কাৰিকৰী আৰু ব্যৱস্থাপনাৰ শিক্ষা আৰু প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। চহকাৰ চে সমৃদ্ধিৰ লক্ষ্য বাস্তৱায়িত কৰাৰ বাবে গৱেষণাৰ জৰিয়তে গোলকীয় পৰ্যায়ত উৎকৃষ্ট প্ৰতিষ্ঠান হিচাপে উজ্বলি উঠিব।

আলোচনাত ভাগ লৈ কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে কয়, যে এই বিধেয়কে গ্ৰাম্য অৰ্থনীতি টনকিয়াল আৰু আত্মনিৰ্ভৰশীলতা বৃদ্ধি কৰাৰ লগতে ক্ষুদ্ৰ উদ্যোগীসকলৰ বিকাশ সাধন কৰিব। তেওঁ কয়, যে এই বিধেয়কৰ জৰিয়তে সমবায় খণ্ডত উদ্ভাৱন আৰু গৱেষণা আৰু উন্নয়ন সাধন কৰিব। ইয়াৰ উপৰি আধুনিক শিক্ষাৰ জৰিয়তে দেশৰ সমবায় খণ্ডক সমৃদ্ধিশালী কৰিব। মন্ত্ৰীগৰাকীয়ে কয় যে ত্ৰিভূৱন চহকাৰী বিশ্ববিদ্যালয়, গুজৰাটৰ আমূল কোম্পানীৰ আধাৰশিলা স্থাপন কৰা ত্ৰিভূৱন ভাই পেটেলৰ নামেৰে নামকৰণ কৰা হৈছে। ইয়াৰ পূৰ্বে আলোচনাত অংশলৈ কংগ্ৰেছৰ জি এন থাকৰে কয়, যে গুজৰাটত সমবায় বিশ্ববিদ্যালয় স্থাপন কৰাটো এটা বিশেষ গৌৰৱৰ কথা। বিজেপিৰ মিতেশ পেটেলে কয়, যে সমবায় খণ্ডই ক্ষুদ্ৰ কৃষকসকলৰ সৰলীকৰণৰ দিশত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

০০০০০

রাজ্যসভাত আজি বেংকৰ আইন সংশোধনী বিধেয়ক ২০২৪ বিবেচনা আৰু পাৰিতৰ বাবে উত্থাপন কৰে। এই বিধেয়ক ১৯৩৪ চনৰ ভাৰতীয় ৰিজাৰ্ভ বেংক আইন, বেংকৰ নিয়ন্ত্ৰণ আইন ১৯৪৯, ভাৰতীয় ষ্টেট বেংক আইন ১৯৫৫, বেংকিং কোম্পানী আইন ১৯৭০ আৰু ১৯৮০ ৰ সংশোধনী বিচৰা হৈছে। এই সংশোধনীত প্ৰতিটো বেংকৰ একাউণ্ট ধাৰকসকলৰ পূৰ্বৰ এজন নমিনি থকাৰ বিপৰীতে ৪ জন নমিনি দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই বিধেয়কত বেংকৰ অদিটৰসকলৰ পাৰিতোষিক বৃদ্ধিৰ পোষকতা কৰা হৈছে।

আলোচনাত অংশ লৈ কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে দেশৰ বেংকিং খণ্ডৰ সৰলীকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয়, যে ২০১৪ চনত বেংকিং খণ্ড বিশেষ ছাপত আছিল। অৱশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ক্ষমতালৈ অহাৰ পাছত এটা শক্তিশালী বেংকিং ব্যৱস্থা গঢ়ি তোলাৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে বিশেষ পৰিকাথামো গঢ়ি তুলি বেংকিং ব্যৱস্থাক সমৃদ্ধিশালী কৰি তোলে।

আলোচনাত কংগ্ৰেছৰ শক্তি সিং গহিলে কয় যে কংগ্ৰেছ চৰকাৰৰ দিনত বেংকসমূহৰ ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল। বিজেপিৰ অৰুণ সিঙে কয় যে দেশৰ অৰ্থনীতিৰ বাবে বেংকিং ব্যৱস্থাই মূল চালিকা শক্তি। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ক্ষমতালৈ অহাৰ পাছত কেন্দ্ৰীয় চৰকাৰে দেশৰ ভিতৰুৱা অঞ্চলসমূহতো বেংকিং ব্যৱস্থাৰ প্ৰসাৰ কৰিছে আৰু ভালেমান বিত্তীয় সংশোধন কৰিছে। তেওঁ কয় যে বৰ্তমান দেশত ৫৪ কোটি বেংক একাউণ্ট কাৰ্যক্ষম হৈ আছে আৰু এই একাউণ্ট ধাৰকসকলক দুৰ্ঘটনাজনিত বীমা আৰু ৰূপে কাৰ্ড সুবিধা প্ৰৱৰ্তন কৰা হৈছে। আলোচনাত অংশ লৈ ডি এম কেৰ কে আৰ এন ৰাজেশ কুমাৰে কয় যে তামিলনাডু চৰকাৰে শিশুসকলৰ বাবে পৃথকে বাজেট প্ৰস্তুত কৰিছে আৰু কৃষকসকলৰ বাবে ভালেমান কল্যাণকামী আঁচনি প্ৰৱৰ্তন কৰিছে। আম আদমী পাৰ্টীৰ ৰাঘৱ চান্দাই কয়, যে বৰ্তমান দেশৰ ৫০ শতাংশ গ্ৰামাঞ্চল বেংকিং ব্যৱস্থাৰ আওঁতাৰ বাহিৰত আছে আৰু ৩০ শতাংশ গ্ৰামাঞ্চলৰ লোকৰ এতিয়াও বেংকৰ লগত কোনো ধৰণৰ লেনদেন নাই। তেওঁ কয়, যে দেশত চাইবাৰ অপৰাধ আৰু ডিজিটেল এৰেষ্টৰ ঘটনা বৃদ্ধি পাইছে আৰু বিগত বছৰত দুই লাখ ৯২ হাজাৰ এনে ধৰণৰ ঘটনাৰ তথ্য লাভ কৰা হৈছে। টি এম চিৰ চকেট গোখলে কয়, যে বেংকত ধন জমা কৰা গ্ৰাহকৰ সংখ্যা হ্ৰাস পাইছে, অৱশ্যে বেংকত লোন লোৱা লোকৰ সংখ্যা বৃদ্ধি পাইছে।

০০০০০

বিমষ্টেক ৰাষ্ট্ৰগোষ্ঠীৰ ১৭ জনীয়া এটা প্ৰতিনিধি দলে আজি বাংলাদেশৰ সৈতে বাণিজ্যিক সা-সুবিধা বৃদ্ধি কৰা দ্বিতীয় আগৰতলাৰ সংহত তালাচী চকী পৰিদৰ্শন কৰে। প্ৰতিনিধিসকলে সংহত তালাচী চকীত ব্যৱসায়িক কাৰণত অহা যোৱা কৰা যাত্ৰীসকলৰ সুবিধাকে ধৰি বিভিন্ন দিশ পৰ্যবেক্ষণ কৰে। সংবাদ মাধ্যমৰ আগত আন্তৰাষ্ট্ৰীয় অৰ্থনৈতিক সম্পৰ্কৰ ভাৰতীয় গৱেষণা পৰিষদৰ গৱেষণা সহায়ক নিৰ্লিপ্ত ৰথে কয়, যে আগৰতলাৰ এইটো ভূ-বন্দৰ দেশ দুখনৰ মাজত এটা বৃহৎ বাণিজ্যিক কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ভাৰত আৰু ব্ৰাজিলৰ প্ৰসংগ উত্থাপনেৰে আমেৰিকাৰ নিৰ্বাচনী ব্যৱস্থাৰ সংস্কাৰৰ বাবে এটা নিৰ্দেশ দিছে। নিৰ্দেশ অনুসৰি তেওঁ এইবুলি অৱগত কৰিছে যে আমেৰিকা যুক্তৰাষ্ট্ৰত নাগৰিকসকলে স্বপ্ৰত্যায়িতভাৱে নিজৰ চিনাক্ত কৰাৰ বিপৰীতে ভাৰত আৰু ব্ৰাজিলে বায়'মেট্ৰিক

ব্যৱস্থাৰে ভোটাৰৰ চিনাক্ত কৰে। তেওঁ লগতে জাৰ্মানী আৰু কানাডাৰ বেলট পেপাৰ ৰাজহুৱাভাৱে গণনা কৰাৰ ব্যৱস্থাকো প্ৰশংসা কৰে। উল্লেখযোগ্য যে ভাৰতৰ নিৰ্বাচন আয়োগে ভোটাৰ কাৰ্ডৰ সৈতে আধাৰ কাৰ্ডৰ সংযোগ কৰি বায়'মেট্ৰিক ব্যৱস্থাক অন্তৰ্ভুক্ত কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতক জক্ষ্মামুক্ত কৰিবলৈ আৰম্ভ কৰা অভিযানত সহযোগিতা আগবঢ়োৱা সকলোকে কৃতজ্ঞতা জনাইছে। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে.পি নাড্ডাই সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা বাৰ্তাৰ সহাঁৰি দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এখন স্বাস্থ্যবান আৰু জক্ষ্মামুক্ত ভাৰত গঢ়িবলৈ চলি থকা আন্দোলনৰ বাবে তৃণমুল পৰ্যায়ৰ পৰা হাতত লোৱা বিভিন্ন পদক্ষেপৰ কথা উল্লেখ কৰে। শ্ৰী মোদীয়ে লগতে জক্ষ্মাৰ বিৰুদ্ধে যুজঁ দি এখন জক্ষ্মামুক্ত ভাৰত গঢ়াত শক্তিশালী ভূমিকা লোৱা প্ৰতিগৰাকী নাগৰিকৰে প্ৰশংসা কৰিছে।

০০০০০

দক্ষিন কোৰিয়াৰ দক্ষিন-পূৱ প্ৰান্তত সংঘটিত কেইবাটাও বনজুইৰ ঘটনাত এতিয়ালৈকে ২৪ জন লোক মৃত্যুমুখত পৰিছে। দেশখনৰ চৰকাৰে প্ৰকাশ কৰা অনুসৰি এই বিধ্বংসী বনজুইত ১২জন লোক সংকটজনকভাৱে আহত হোৱাৰ লগতে মুঠ ২৬জন লোক চিকিৎসাধীন হৈ আছে আৰু প্ৰায় ২৩ সহস্ৰাধিক লোকে নিজৰ ঘৰ এৰিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। বনজুইত আক্ৰান্ত লোকসকলৰ বেছিসংখ্যকেই ৬০ৰ উৰ্ধৰ বুলি স্থানীয় সংবাদ মাধ্যমত প্ৰকাশ পাইছে। এই বিধ্বংসী বনজুইত উইছেং চহৰৰ ১৩০০ বছৰ পুৰণি গৌন্সা মন্দিৰটো ভস্মীভূত হৈছে যদিও মন্দিৰৰ বহুতো সাংস্কৃতিক ধ্বংসাৱশেষ আঁতৰাই নিৰাপদ স্থানলৈ স্থানান্তৰ কৰা হৈছে। কোৰিয়াত অৱস্থিত আমেৰিকান সামৰিক বাহিনীৰ হেলিকপ্টাৰকে ধৰি কেইবা সহস্ৰাধিক অগ্নিনিৰ্বাপক বাহিনী আৰু প্ৰায় ৫০০০ সামৰিক জোৱান মোতায়েন কৰা হৈছে। এতিয়ালৈকে দেশখনৰ প্ৰায় ১৭০০০ হেক্টৰ অৰণ্য  বনজুইৰ কবলত পৰিছে, যাৰ বাবে এই বনজুইক দক্ষিণ কোৰিয়াৰ ইতিহাসত তৃতীয় সৰ্ববৃহৎ বনজুই বুলি অভিহিত কৰা হৈছে।

০০০০০

থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী পেটংতৰ্ণ শ্বিনাৱাত্ৰাই আজি সংসদত তেওঁৰ মিত্ৰযুটৰ শক্তি নিশ্চিত কৰাৰ অনাস্থা ভোটৰ পৰা ৰক্ষা পৰিছে। স্থানীয় সংবাদ মাধ্যমে প্ৰকাশ কৰা অনসৰি থাইলেণ্ডৰ ইতিহাসৰ কনিষ্ঠতম প্ৰধানমন্ত্ৰী ৩৮ বছৰীয়া শ্বিনাৱাট্ৰাক তেওঁৰ পিতৃ, দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী থাকচিন শ্বিনাৱাট্ৰাই নিয়ন্ত্ৰন কৰে বুলি দেশখনৰ বিৰোধীয়ে অভিযোগ উত্থাপন কৰিছে।

প্ৰধানমন্ত্ৰীগৰাকীৰ বিৰুদ্ধে কৰ পৰিহাৰ কৰাৰ লগতে শেহতীয়াকৈ কিছুমান উইঘুৰক চীনলৈ প্ৰত্যাৱৰ্তন কৰাত জড়িত থকাৰ অভিযোগ উত্থাপন হৈছিল।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে আজি জানিবলৈ দিছে যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ আন্তৰাষ্ট্ৰীয় ধৰ্মীয় স্বাধীনতা আয়োগৰ কৰ্মৰাজি চিন্তনীয়। আয়োগে অলপতে প্ৰকাশ কৰা প্ৰতিবেদন সন্দৰ্ভত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে এই আয়োগে ৰাজনৈতিক উদ্দেশ্য পক্ষপাতিত্ব লৈ কাম-কাজ কৰে। ২০২৪ চনত ভাৰতত সংখ্যালঘুসকলৰ বিৰুদ্ধে আক্ৰমণ কৰা বুলি আয়োগৰ প্ৰতিবেদনত অভিযোগ অনাৰ পৰিপ্ৰেক্ষিতত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এইকথা অৱগত কৰে। শ্ৰীজয়চোৱালে কয় যে আমেৰিকাৰ এই আন্তৰাষ্ট্ৰীয় আয়োগে ভাৰতৰ ধৰ্মীয় স্বাধীনতাৰ বিষয়টোৰ পৰিৱৰ্তে দেশৰ বৰ্ণাঢ্য সমাজৰ প্ৰতিচ্ছবি দাঙি ধৰাৰ পৰিৱৰ্তে নিৰ্দিষ্ট দুই এটা বিক্ষিপ্ত ঘটনাত আয়োগে বিশেষ গুৰুত্ব প্ৰদান কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত আজি কিছুসময়ৰ পাছতে ৰিয়ান পৰাগৰ নেতৃত্বত ৰাজস্থান ৰয়েলছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ২৩ বছৰীয়া ক্ৰিকেটাৰ ৰিয়ান পৰাগৰ গৃহ ৰাজ্যত খেল উপভোগ কৰিবলৈ জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে।

টছত জিকি কোলকাতা নাইট ৰাইডাৰ্ছে বলিং কৰাৰ সিদ্ধান্ত লৈছে। প্ৰতিযোগিতাত একেখন ষ্টেডিয়ামতে অহা ৩০ মাৰ্চত হ'বলগীয়া আন এখন খেলত চেন্নাই ছুপাৰ কিংছে ৰাজস্থানৰ ৰয়েলছৰ বিৰুদ্ধে খেলিব।

০০০০০

**ঃঃ সমাপ্ত ঃঃ**